# শিশুলীলা

**-শ্ৰীমন্ত শংকৰদেৱ**

মুঠ মূল্যাংক:-১০

**১/ তলৰ প্ৰশ্নসমূহৰ চমু উত্তৰ দিয়া ।**

**(ক) মহাপুৰুষ শংকৰদেৱৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ কি?**

**উত্তৰ:** মহাপুৰুষ শংকৰদেৱৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ হ'ল- কীৰ্তন ঘোষা ।

**(খ) মহাপুৰুষ শংকৰদেৱৰ বিৰচিত এখন অংকীয়া নাটৰ নাম লিখা ।**

**উত্তৰ:** মহাপুৰুষ শংকৰদেৱৰ বিৰচিত এখন অংকীয়া নাটৰ নাম হ'ল- ৰাম বিজয় ।

**(গ) "কৃষ্ণগীত গাঁৱন্ত সুন্দৰী"- ইয়াত কৃষ্ণ গীত গোৱা সুন্দৰী গৰাকী কোন?**

**উত্তৰ:** "কৃষ্ণগীত গাঁৱন্ত সুন্দৰী"- ইয়াত কৃষ্ণ গীত গোৱা সুন্দৰী গৰাকী হ'ল- নন্দৰ ৰাণী যশোদা ।

**(ঘ) "ৰুণ-ঝুন কেয়ুৰ কংকণ"- কাৰ কেয়ুৰ কংকণৰ ৰুণ-ঝুন শব্দৰ কথা ইয়াত কোৱা হৈছে?**

**উত্তৰ:** "ৰুণ-ঝুন কেয়ুৰ কংকণ"- কাৰ কেয়ুৰ কংকণৰ ৰুণ-ঝুন শব্দৰ কথা ইয়াত নন্দৰ ৰাণী যশোদাৰ কথা কোৱা হৈছে ।

**(ঙ) “মাথনিত ধৰিয়া নিষেধি।”- ‘মাথনি’ শব্দৰ অৰ্থ কি?**

**উত্তৰ:** “মাথনিত ধৰিয়া নিষেধি।”- ইয়াত ‘মাথনি’ শব্দৰ অৰ্থ হ’ল- গাখীৰ ঘূটিবলৈ ব্যবহাৰ কৰা এবিধ সজিলি ।

(চ) **শ্ৰীকৃষ্ণই শিকিয়াৰ পৰা লৱন চুৰ কৰি কাক দিছিল?**

**উত্তৰ:** শ্ৰীকৃষ্ণই শিকিয়াৰ পৰা লৱন চুৰ কৰি বান্দৰক দিছিল ।

২/ **তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া।**

**মূল্যাংক:-২**

**(ক) মহাপুৰুষ শংকৰদেৱে ৰচনা কৰা দুখন অংকীয়া নাটৰ নাম লিখা ।**

**উত্তৰ:** মহাপুৰুষ শংকৰদেৱে ৰচনা কৰা দুখন অংকীয়া নাটৰ নাম হ’ল- ৰাম বিজয় আৰু কেলি- গোপাল ।

**(খ) চিহ্নযাত্ৰা কি?**

**উত্তৰ:** ‘চিহ্নযাত্ৰা’ মানে হ’ল- শংকৰদেৱে ৰচনা কৰা সংলাপবিহীন নাট । এইখন নাটকে গুৰুজনাই অসমীয়া নাট্য বুৰঞ্জিৰ পাতনি মেলিছিল ।

**(গ) শংকৰদেৱে কোন দুখন গ্ৰন্থৰ কিছু কিছু অংশ অসমীয়ালৈ অনুবাদ কৰিছিল?**

**উত্তৰ:** শংকৰদেৱে ভাগৱত আৰু ৰামায়ণ এই দুখন গ্ৰন্থৰ কিছু কিছু অংশ অসমীয়ালৈ অনুবাদ কৰিছিল ।

**৩/ তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা:**

মূল্যাংক:-৪

**(ক) 'শিশুলীলা' পাঠটিত শ্ৰীকৃষ্ণ চৰিত্ৰটি এটি সাধাৰণ মানৱ শিশু হিচাপে অংকিত হৈছে । কথা- ষাৰ সত্যাসত্য নিৰ্ণয় কৰা ।**

**উত্তৰ:** 'শিশুলীলা' পাঠটি মহাপুৰুষ শ্ৰী শ্ৰী শংকৰদেৱৰ অনুপম ৰচনা । পাঠটিৰ মাজেৰে পৰম পুৰুষ ভগৱান শ্ৰীকৃষ্ণক ভক্ত কবিজনাই এটি সাধাৰণ মানৱ শিশু হিচাপে অংকন কৰি ভক্তৰ কাষ চপাই দিছে । বিশ্বব্ৰহ্মাণ্ডৰ গৰাকী ভগৱানে সাধাৰণ মানৱ শিশুহিচাপ মাক যশোদাক আমনি কৰিছে ।

মাকৰ কোলাত উঠিবলৈ আব্দাৰ কৰিছে । মাকে কোলাৰ পৰা নমাই দিয়াত তেওঁৰ খং উঠিছে । উৰালত উঠি লৱন চুৰ কৰিছে । আকৌ চুৰ কৰি ধৰা পৰি মাকৰ ভয়ত দৌৰি পলাইছে । এইবোৰ কাৰ্য্যৰে ভগৱান শ্ৰীকৃষ্ণ ভক্তৰ ওচৰত এটি সাধাৰণ মানৱ শিশু হৈ পৰিছে ।

**(খ) শঙ্কৰদেৱে ৰচিত কীৰ্তন পুথিৰ বিষয়ে পঁচিছটামান শব্দৰ ভিতৰত এটি টোকা লিখা ।**

**উত্তৰ:** মহাপুৰুষ শংকৰদেৱৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ হৈছে কীৰ্তন পুথি । ই গুৰুজনাৰ প্ৰচাৰিত নামধৰ্মৰ মূল গ্ৰন্থ । কীৰ্তন ২৭ টা স্বয়ং- সম্পূৰ্ণ খণ্ডৰ সমষ্টি । গ্ৰন্থখন

শ্ৰৱণ কীৰ্তনৰ উপযোগী নাম – প্ৰসংগৰ পুথি । কীৰ্তনৰ বেছিভাগ খণ্ডই ভাগৱত পুৰাণৰ সাৰ সংগ্ৰহ ।

**গ) শিশুলীলাৰ অন্তৰ্নিহিত তত্বপূৰ্ণ কথাখিনি তোমাৰ নিজৰ কথাৰে লিখা ।**

**উত্তৰ:** ভগৱান ভক্তিৰ অধীন । একান্ত ভক্তিৰে ভগৱানক ভক্তই হাতেৰে পায় । কিন্তু অহংকাৰশূন্য মনেৰে কৰা ভক্তিৰেহে ভগৱানক পাব পাৰি । মনত অহংকাৰ থাকিলে বিভিন্ন প্ৰয়াসেৰেও ভগৱানক পাব নোৱাৰি ।

শিশুলীলা পাঠটিৰ অন্তৰ্নিহিত তত্বই সেই কথাকে কয় । কৃষ্ণচিন্তাত আতুৰ যশোদাৰ ওচৰত কৃষ্ণই নিজে আহি ধৰা দিছে । কিন্তু তেতিয়াই হাতত এচাৰী লৈ যশোদাই তেওঁক খেদিছে আৰু উৰালত জোৰেৰে বান্ধিব খুজিছে তেতিয়া যশোদাই কৃষ্ণক ধৰিব পৰা নাই আৰু বান্ধিবলৈ সক্ষম হোৱা নাই ।

**(ঘ) নাহি আদি অন্ত পূৰ্বাপৰ ।**

**পূৰ্ণ ব্ৰহ্ম জগত ঈশ্বৰ ।**

**ইয়াত কবিয়ে কি প্ৰসংগত কাৰ বিষয়ে, কিয় এইদৰে কৈছে চমুকৈ লিখা ।**

**উত্তৰ:** প্ৰশ্নত উল্লেখ কৰা পদফাকিত ভক্ত কবি শংকৰদেৱে ভগৱান শ্ৰীকৃষ্ণক সামান্য নাৰী যশোদাই উৰালত বান্ধিবলৈ লোৱাৰ প্ৰসংগত কৈছে । পদফাকিত শিশু শ্ৰীকৃষ্ণৰ বিষয়ে কোৱা হৈছে । শিশু কৃষ্ণ অনাদি অনন্ত পূৰ্ণব্ৰহ্মাৰ অৱতাৰ। তেওঁক সাধাৰণ শিশু বুলি ভ্ৰম কৰি যশোদাই উৰালত বান্ধিব খুজিছে ।

শিশু কৃষ্ণ সামান্য কৃষ্ণ শিশু নহয় । তেওঁক সামান্য শিশুৰ দৰে বান্ধিব নোৱাৰি । যশোদাই কৃষ্ণক বান্ধিবলৈ যত্ন কৰি সেয়েহে সফল হ'ব পৰা নাই । কবিয়ে সেয়েহে উক্তপদফাকিৰ অৱতাৰণা কৰিছে ।

৪/ **ব্যাখ্যা কৰা :**

মূল্যাংক:-৪/৫

**(ক) যাক যোগী নপাৱে ধ্যানত ।**

**হেন হৰি পলান্ত ভয়ত।।**

**উত্তৰ:** উক্ত কবিতাফাকি আমাৰ পাঠ্যপুথিত- অন্তৰ্গত শংকৰদেৱৰ ৰচিত 'শিশুলীলা' নামৰ কাব্যাংশৰ পৰা তুলি অনা হৈছে । যি ভগৱান কৃষ্ণক সাধনা কৰিও পোৱা নাযায় সেই শ্ৰীকৃষ্ণ মাক যশোদাৰ ভয়ত মানৱ শিশুৰ দৰে পলুৱাত কোবিয়ে এনেদৰে কৈছে । মাতৃৰ স্তন পান কৰি থকাৰ সময়ত হঠাতে চৌকাত বহাই থোৱা গাখীৰ উতলি পৰিব ধৰাত শিশু কৃষ্ণক এৰাই থৈ মাক যশোদা গাখীৰ নমাবলৈ গ'ল ।

স্তন পান কৰিব নোৱাৰাৰ বাবে কৃষ্ণই খণ্ডতে শিল মাৰি দধিৰ ভাণ্ড ভাঙিলে আৰু গোপনে গৈ নিজে দধি খালে আৰু বান্দৰকো খুৱালে । পুত্ৰৰ কাণ্ড দেখি মাকে চেকণি লৈ খেদি যোৱাত কৃষ্ণ পলাই ফুৰিব ধৰিলে । ইয়াকে দেখি কবিয়ে কৈছে যে তপস্বীসকলে কঠোৰ তপস্যা কৰিও যিগৰাকী পৰম ঈশ্বৰক পাব নোৱাৰে সেই- গৰাকীয়ে মানৱ

শিশুৰূপে আবিৰ্ভাৱ হৈ সামান্য নাৰী এজনীৰ ভয়ত পলাই ফুৰিছে। এয়া মাথোঁ ঈশ্বৰৰ লীলা।

**(খ) নাহি আদি.........**
**........জগত ঈশ্বৰ।**

**উত্তৰ:** উক্ত কথাফাকি শ্ৰীমন্ত শংকৰদেৱে বিৰচিত 'শিশুলীলা' নামৰ পাঠটিৰ পৰা তুলি লোৱা হৈছে। মাকৰ স্তন পান কৰি থকাৰ সময়তে চৌকাত বহাই থোৱা গাখীৰৰ উতলি পৰাত তাৰাতাৰি কৃষ্ণক কোলাৰ পৰা নমাই থৈ যশোদাই গাখীৰৰ ওচৰলৈ দৌৰি গ'ল।

ইয়াতে কৃষ্ণৰ খং উঠিল আৰু দধিৰ ভাণ্ড শিল মাৰি ভাঙি পেলালে আৰু নিজে দধি খালে আৰু বান্দৰকো দিলে। পুত্ৰৰ কাণ্ডত মাক যশোদা খঙত টিঙিৰি তোলা হৈ পৰিল। হাতত এচাৰী লৈ পুত্ৰক খেদি লৈ ফুৰিলে আৰু তেতিয়াই কৃষ্ণৰ মাকক এই কথা কৈ গৈছিল।

(গ) তাহাংক তনয় মানি বলে।

**যশোদা বান্ধন'ত উৰুখালে ।।**

**উত্তৰ:** উক্ত পদফাকি আমাৰ পাঠ্যপুথি সাহিত্য সুবাসৰ অন্তৰ্গত মহাপুৰুষ শংকৰদেৱৰ বিৰচিত 'শিশুলীলা'নামৰ কবিতাংশৰ পৰা তুলি অনা হৈছে|

ভগৱান শ্ৰীকৃষ্ণ অনাদি অনন্ত। তেওঁ অসীম, স্থান কাল পত্ৰৰ অতীত। সেইজন ভগৱানে ভূমিৰ ভাৰ হৰণৰ হেতু সাধাৰণ নৰশিশু ৰূপে ধাৰণ কৰিছে। যশোদা সামান্য নাৰী।

ভগৱান কৃষ্ণক তেওঁ মহাপুণ্যৰ বলত নিজ পুত্ৰৰূপ লাভ কৰিছে। ভগৱানৰ মহিমা তেওঁ বুজি পোৱা নাই সেয়েহে লৱন চুৰ কৰাৰ অপৰাধেতে খঙত তেওঁ কৃষ্ণক উৰালত বান্ধিব খুজিছে। কিন্তু যিজন সৰ্বশ্ৰ বিদ্যামান, যাৰ মায়াৰ বান্ধনত সমগ্ৰ বিশ্বব্ৰহ্মাণ্ড পৰিচালিত তেওঁক সাধাৰণ শিশুৰূপে বান্ধিবলৈ যোৱাতো যশোদাৰ বৃথা প্ৰয়াস।

**(ঘ) গোবিনদে মাৱৰ শ্ৰম দেখি।**

**ৰহিল কান্দতে মুদি আখি।।**

**উত্তৰ:** উক্ত পদফাকি আমাৰ পাঠ্যপুথি সাহিত্য সুবাসৰ অন্তৰ্গত মহাপুৰুষ শংকৰদেৱৰ বিৰচিত ‘শিশুলীলা’নামৰ কবিতাংশৰ পৰা তুলি অনা হৈছে| শিশু কৃষ্ণই যশোদাৰ ওচৰত ধৰা দিয়াৰ কথা ক’বলৈ গৈ পদফাকিৰ অৱতাৰণা কৰা হৈছে।

ভগৱান ভক্তৰ অধীন। অহংকাৰশূন্য ভাৱেৰে একান্ত মনেৰে ভাবিলে ভগৱানে হাতেৰে ধৰা দিয়ে। শিশু কৃষ্ণই উৰালত উঠি লৱন চুৰ কৰি খোৱা দেখি যশোদাই হাতত এচাৰী লৈ কৃষ্ণক খেদিবলৈ ধৰিলে।

যশোদাৰ অহংকাৰ বুজি পাই কৃষ্ণই যশোদাৰ পৰা পলাবলৈ দৌৰিবলৈ ধৰিলে। অহিংকাৰত মত্ত যশোদাই বহু কষ্ট কৰিও কৃষ্ণক ধৰিবলৈ সমৰ্থ নহ’ল। দৌৰি দৌৰি তেওঁ ভাগৰি পৰিল। গতি মন্থৰ হ’ল, খোৱা সুলকি পৰিল। কৃষ্ণ পৰম দয়ালু। ভক্তৰ কষ্ট দেখি তেওঁ সহ্য কৰিব নোৱাৰে। সেয়েহে যশোদাৰ শ্ৰম দেখি শিশুৰূপী কৃষ্ণই ধীৰা দিলে।

তেওঁ সামান্য শিশুৰ দৰে চকু মুদি কান্দি কান্দি বৈ দিলে যাতে যশোদাই তেওঁক ধৰিব পাৰে।

**(ঙ) মহা কোনে কোঠা পৰিলন্ত।**

**হিন্দিৰে সিঞ্চিৰাই লৱনু ভুঞ্জান্ত ।।**

**কোনে অতি খঙত কোঠাত সোমোৱাইছিল? তেওঁ কিয় লৱনবোৰ চাৰিওফালে ছটিয়াইছিল বুজাই লিখা।**

**উত্তৰ:** কবিতা ফাঁকিত উল্লেখ কৰা মতে শিশু কৃষ্ণ অতি খঙত কোঠাত সোমোৱাইছিল। শিশুৰূপী ভগৱান শ্ৰীকৃষ্ণই সাধাৰণ শিশুৰ দৰেই দধি মথি থকা যশোদাক আমনি কৰিছিল আৰু মাকৰ কোলাত উঠিবলৈ আব্দাৰ কৰিছিল। পুত্ৰৰ স্নেহত কাতৰ যশোদাই মৰমেৰে পুত্ৰক কোলাত লৈ স্তন পান কৰাইছিল। তেনেতে গাখীৰ উথলি পৰিব খোজা দেখি যশোদাই কৃষ্ণক কোলাৰ পৰা নমাই থৈ গ'ল।

মাতৃদুগ্ধ পান কৰিবলৈ নোপোৱাৰ বাবে কৃষ্ণৰ খং উঠিল। খঙতে তেওঁ দাঁত কামুৰিবলৈ ধৰিলে আৰু শিল দলিয়াই দধিৰ পাত্ৰ ভাঙি পেলালে। তাৰ পিছত খঙতে দধি থোৱা কোঠাত সোমাই লৱনবোৰ শিকিয়াৰ পৰা নমাই আনিলে আৰু সিঁচি-মেলি নষ্ট কৰিলে। লৱনবোৰ ছটিয়াইছিল নিষ্ট কৰাৰ লগতে নিজেও খালে।

৫/ তলত দিয়া শব্দবোৰৰ এটা বা দুটাকৈ সমাৰ্থক শব্দ লিখা।

**উত্তৰ: কৰ্ণ –** কণ, শ্ৰৱণেন্দ্ৰিয় অৰুণ – সূৰ্য,সবিতা

**দধি –** দৈ বস্ত্ৰ – কাপোৰ, অম্বৰ

**বিদন –** মুখ লৱন – মাখন, নৱনীত

**কোপ –** খং, ৰাগ দশন – দাঁত, দন্ত

**দুগ্ধ-** গাখীৰ ঈশ্বৰ – ভগৱান, পৰমেশ্বৰ

৬/ আধুনিক ৰূপ লিখা :

**উত্তৰ: তাহাংক** – তেওঁক নোজোৰে – নাটে

**খসি** – খহি ৰহিল – ৰ'ল

**আসি-** আহি ভৌলা – হ'ল

**আসন্ত –** আহিলে শিলায়ে – শিলেৰে

**কাম্পে –** কঁপে মাৱক – মাকক

**৭/ তলৰ শব্দকেইটাত কি কি কাৰণত (ণ)আৰু (ষ) হৈছে বুজাই লিখা ।**

**উত্তৰ: অৰুণ :** 'ৰ' আৰু 'ন'ৰ মাজত স্বৰবৰ্ণ 'উ' থকাৰ বাবে 'ন' 'ণ' হৈছে ।

**কলঙ্ক :** স্বাভাবিকতে হৈছে ।

**কৰ্ণ :** 'ৰ'ৰ পিছত 'ন' থকা বাবে 'ণ' 'ষ' হৈছে ।

**শ্ৰেণী :** 'ৰ'আৰু 'ন'ৰ মাজত স্বৰবৰ্ণ 'ও' থকাৰ বাবে শেষৰ 'ন' 'ণ' হৈছে ।

**ভাণ্ড :** 'ট' বৰ্গৰ আখৰেৰে যুক্ত হোৱা বাবে 'ন' 'ণ' হৈছে ।

**নিষেধি :** ই- কাৰান্ত উপসৰ্গৰ পিছত হা,সিধ্, সিচ্,লস্ আদি ধাতুৰ ‘স’ ‘ষ’ হয় বাবে ‘নিষেধি’ত ‘ষ’ হৈছে ।